**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-02-2025
**Time :** 1205 hrs

ASSAMESE MIDDAY BULLETIN

**::::::::::::::::::**

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি চতুৰ্থ দিনা বুৰঞ্জী সন্মিলনেৰে কাৰ্যসূচী আৰম্ভ হয়। এই সন্মিলনৰ পাছতে বজালী ভিত্তিত লোক সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। সাহিত্য সভাৰ দ্বিতীয় মুকলি সভা দুপৰীয়া ২ বজাৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে বিয়লি ৪ বজাত যুৱ সংসদ, সন্ধিয়া চাৰে ৬ বজাত সাংস্কৃতিক সন্মিলন আৰু চাৰে ৭ বজাত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

কালি অধিৱেশনত প্ৰথমখন মুকলি সভাত নৱনিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আগবঢ়োৱা অভিভাষণত সাহিত্য সভাৰ সংস্কাৰ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মত আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ উমৈহতীয়া সামাজিক স্বাৰ্থত নিষ্ঠাৰে কাম কৰিব নোৱাৰিলে অসম সাহিত্য সভাৰ প্ৰাসংগিকতা নাথাকিব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে অসম সাহিত্য সভাত ৰাজ্যৰ নবীন-প্ৰবীণ সাহিত্যিকসকলক একেখন মঞ্চত বহুওৱাৰ পোষকতা কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হৈছে। অৱশ্যে এইবাৰ সৰস্বতী পূজাৰ তিথি দুদিনীয়া হোৱাৰ বাবে কোনো কোনো অঞ্চলত কালি সৰস্বতী পূজা পালন কৰা হয়। অৱশ্যে ৰাজ্যৰ বেছি সংখ্যক শিক্ষানুষ্ঠানত আজি উলহ-মালহেৰে ধৰ্মীয় ৰীতি-নীতিৰে সৰস্বতী পূজা উদযাপন কৰা হৈছে। সৰস্বতী পূজা উপলক্ষে আজি ছাত্ৰ-ছাত্ৰীসকলে নানাৰঙী সাজ-পোছাক পৰিধান কৰি দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠান আদিত পূজা উপলক্ষে মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সৰস্বতী পূজা উপলক্ষে বাগ দেৱী আই সৰস্বতীৰ আশীষেৰে শিক্ষাৰ্থী তথা আটাইকে জ্ঞান আৰু প্ৰজ্ঞাৰে শক্তিৱন্ত কৰি তোলাৰ লগতে সমাজৰ অজ্ঞান আন্ধাৰ নাশিবলৈ বীণাপানিয়ে সকলোৰে জীৱন জ্ঞানৰ পোহৰেৰে উদ্ভাসিত কৰাৰ আশা কৰি জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

অসমে অহা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় কৰৰ অংশ হিচাপে মুঠ ৪৪ হাজাৰ ৪৯৪ কোটি টকা লাভ কৰিব। চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে এই কৰৰ অংশ হিচাপে ৪০ হাজাৰ ২৫৩ কোটি টকা অসমক ঘূৰাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই হিচাপত অহা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় কৰৰ অংশ হিচাপে ৰাজ্য চৰকাৰে ৪ হাজাৰ ২৪০ কোটি টকা বেছিকৈ লাভ কৰিব। অহা বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে কৰ্পোৰেট কৰ হিচাপে ১২ হাজাৰ ৪২৪ কোটি টকা, আয়কৰ হিচাপে ১৬ হাজাৰ ৫৭৭ কোটি টকা, কেন্দ্ৰীয় জি এছ্ টি ১২ হাজাৰ ৯৫৩ কোটি টকা, শুল্ক দুহেজাৰ ৪৭ কোটি টকা, কেন্দ্ৰীয় আবকাৰী শুল্ক ৪ শ ২৫ কোটি টকা, সেৱা কৰ ১ কোটি ২৪ লাখ টকা, অন্যান্য কৰ আৰু শুল্ক ৬৪ কোটি ১২ লাখ টকা লাভ কৰিব।

00000

ৰাষ্ট্ৰীয় ক্ৰীড়াত এই পৰ্যন্ত ১৩টা পদক লাভ কৰি অসমে জয়যাত্ৰা অব্যাহত ৰাখিছে। আজি ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে কেইবাটাও শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। অসমৰ পুৰুষ ফুটবল দলটোৱে আজি ছেমি ফাইনেলত মিজোৰামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষণীয়ভাৱে অসমৰ ফুটবল দলটোৱে সুদীৰ্ঘ ১৮ বছৰৰ পিছত এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অসম দলে ২০০৭ চনত গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণ পদক অৰ্জন কৰিছিল।

বক্সিঙৰ ৫১ কিলোগ্ৰাম তলৰ শাখাত গৌৰৱ মজুমদাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষৰ লন বলত অসম উত্তৰাখণ্ডৰ মুখামুখি হোৱাৰ লগতে মহিলা শাখাত অসম দিল্লীৰ মুখামুখি হ'ব।

কালি ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ ভাৰোত্তোলক মৃদুস্মিতা বৰুৱাই ৰূপৰ পদক অৰ্জন কৰে। ভাৰোত্তোলকগৰাকীয়ে ৮৭ কিলোগ্ৰাম শাখাত ভাগ লৈ স্নেটছত ৯৫ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৩ কিলোগ্ৰাম ভাৰোত্তোলনেৰে ৰূপৰ পদক দখল কৰিবলৈ সক্ষম হৈছে। মৃদুস্মিতা বৰুৱাৰ সফলতাৰে উত্তৰাখণ্ডত চলি থকা ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ পদক ১৩ টালৈ বৃদ্ধি পাইছে।

00000

ষষ্ঠ দশকৰ সুকণ্ঠি গায়িকা বীণা ভাগৱতীৰ আজি পুৱা গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা পথৰ নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮ বছৰ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত তেওঁ মোৰ চোতালৰ তুলসীৰ তলত, উকুলি-মুকুলি কুকুলিকে খেলা, ৰহদৈ অ' এয়া নিৰ্মলা নদীৰ ঘাট আদিকে ধৰি ভালেকেইটা চিৰসেউজ গীত উপহাৰ দি অসমীয়া সংগীত জগতক চহকী কৰা ব্যতিক্ৰমী কণ্ঠৰ অনাতাঁৰ শিল্পীগৰাকীৰ অৱদান অসমৰ সমাজ জীৱনে কেতিয়াও নাপাহৰে বুলি প্ৰকাশ কৰিছে।

আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী বীণা ভাগৱতীৰ কেইবাখনো গ্ৰমোফোন ৰেকৰ্ডে সংগীতপ্ৰেমীৰ মাজত প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছিল।

00000

গুৱাহাটীৰ কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তিলক চন্দ্ৰ শৰ্মাৰ যোৱা নিশা গুৱাহাটীৰ চানমাৰিৰ মিলনপুৰৰ নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। দৰং জিলাৰ ছিপাঝাৰ ভুক্তাবাৰীত জন্মগ্ৰহণ কৰা শৰ্মাৰ মৃত্যুত অঞ্চলটোৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

00000

সমাপ্ত